# ভূপেন হাজৰিকাৰ গানত মানৱতাবাদ ঃ এক দাৰ্শনিক বিশ্লেষণ

***স্বপ্না বৰা***

**সংক্ষিপ্তসাৰ**

মানৱতাবাদ হৈছে এক মানৱকেন্দ্ৰিক দৰ্শন, যাৰ দ্বাৰা মানুহৰ বিষয়ে জানিবলৈ, বুজিবলৈ, সূক্ষ্মভাৱে অধ্যয়ন কৰিবলৈ আৰু একাত্ম হ'বলৈ সুযোগ লাভ কৰে। ই হৈছে এক গভীৰ আৰু বিশাল অৰ্থ বহনকাৰী শব্দ। মানুহৰ কল্যাণৰ হকে উন্নত চিন্তা-চৰ্চা কৰাই হৈছে মানৱতাবাদৰ মূল বিশেষত্ব । ই প্ৰত্যেক মনুষ্যৰ লগত সংপৃক্ত হৈ থাকে আৰু প্ৰয়োজন অনুসৰি বিভিন্ন ক্ষেত্ৰত বিভিন্ন মাধ্যমেৰে বহিঃ প্ৰকাশ ঘটে। ব্যক্তিভেদে মানৱীয় গুণ ভিন্ ভিন্। কিছুমান ব্যক্তিৰ ক্ষেত্ৰত মানৱীয় গুণসমূহ ইমানেই প্ৰৱলৰূপত থাকে যে, ই স্বকীয় স্বাৰ্থতকৈ সামূহিক বিকাশৰ প্ৰতিহে চিন্তা কৰে। বিভিন্ন কাৰ্য পন্থাৰে সমগ্ৰ জীৱন মানৱৰ হকেই উৎসৰ্গা কৰে। ফলস্বৰূপে ব্যক্তি একোজন হৈ পৰে সমাজ তথা বিশ্ব মানৱ। ভূপেন হাজৰিকাও আছিল তেনে এক বিশেষ তথা বহুধা গুণৰ অধিকাৰী পুৰুষ। তেওঁ একেধাৰে গায়ক, গীতিকাৰ, সুৰকাৰ, নাট্যকাৰ, প্ৰৱন্ধকাৰ, কবি, সাহিত্যিক, ৰাজনৈতিক চিন্তক, পণ্ডিত, সমাজ হিতৈষী, জন্মভূমিৰ একান্ত সেৱক আৰু অনেক প্ৰতিভা সমৃদ্ধ ব্যক্তি। ঐশ্বৰিক আশীৰ্বাদেই হওঁক, বংশানুক্ৰমিক গুণেই হওঁক বা স্বকীয় বৌদ্ধিক বিচক্ষণতাই হওঁক, তেওঁৰ দ্বাৰা সৃষ্ট অমৰ গীতাৱলীয়ে সৰ্বমানৱৰ হৃদয় স্পৰ্শ কৰিছিল। কণ্ঠই আছিল তেওঁৰ পৰিচয়, যি কণ্ঠেৰে অহৰহ নিগৰাইছিল অমৃতৰ ধাৰা। সেয়েহে, তেওঁ পৰিচিত সুধাকণ্ঠৰূপে। সাংস্কৃতিক জগতখনৰ এক উজ্জ্বল নক্ষত্ৰ হাজৰিকাৰ অৰ্থগভীৰ শব্দসমূহে বাস্তৱ সত্যক প্ৰতিফলিত কৰে। তেওঁৰ গীতসমূহে নৈতিকতা, নিয়মানুৱৰ্ত্তিতা, কৰ্তব্য পৰায়ণতা, সত্যতা তথা মানৱ জীৱনৰ বাস্তৱিক জ্ঞানৰ সম্ভেদ দিয়ে। বিভিন্ন পৰিৱেশ-পৰিস্থিতি আৰু সময় সাপেক্ষ সৃষ্টিৰাজি তথা গীতসমূহ প্ৰত্যেকৰ বাবে আছিল দাপোণ সদৃশ। এই অসাধাৰণ গুণ সমূহৰ বাবে তেওঁ চিৰকাল বিশ্ববন্দিত। মানৱতাবাদ তেওঁৰ হৃদয়ৰ আহ্বান। তেওঁ আছিল জনতাৰ শিল্পী, গণশিল্পী, মাটিৰ মানুহ। তেওঁৰ কণ্ঠৰ প্ৰতিটো শব্দই , শক্তি-সাহস-উৰ্বৰতা-প্ৰাচুৰ্যতা আৰু নিভাঁজ অনুভূতিৰ সম্ভেদ দিয়ে। মানুহৰ হকে চিন্তা কৰি ভালপোৱা, জন্মভূমিৰ অক্লান্ত প্ৰেমিক, হাজৰিকা দেৱৰ গানসমূহে সোঁৱৰাই দিয়ে তেওঁৰ অসাধাৰণ ব্যক্তিত্ব। তেওঁৰ কণ্ঠৰ এটোপাল অমৃত সৰ্বসাধাৰণৰ বাবে হৈ পৰে জীয়াই থকাৰ প্ৰেৰণা-সাহস আৰু আশাৰ স্থল । মানৱতাবাদীসকলে সপোন দেখে সমাজৰ সৰ্বসাধাৰণ জনতাক লৈ । তেওঁলোকে প্ৰাপ্যৰ অধিকাৰ, সাব্যস্ত কৰাৰ বাবে যুঁজিবলৈ, মানুহে মানুহক ভাল পাবলৈ আৰু মানৱীয় মূল্যৰ প্ৰতি সন্মান জনাবলৈ, সমাজ সংস্কাৰক ৰূপে শক্তি, সাহস আৰু জ্ঞান প্ৰদান কৰে। এনে সপোনৰেই দ্ৰষ্টা আছিল ভূপেন হাজৰিকা। সেয়েহে, তেওঁৰ অনেক গীতত মানৱতাবাদে ঠাই পাইছিল আৰু সৰ্বমানৱক মানৱতাবোধৰ প্ৰয়োজনীয়তা শিকাইছিল। তেওঁৰ গীত সমূহ, সৰ্বকালৰ, সৰ্বমানৱৰ বাবে অতীৱ গুৰুত্বপূৰ্ণ আৰু অনুকৰণীয়। গতিকে, এনে এজন ব্যক্তিৰ মননশীল চিন্তনৰ মাজেৰে সৃষ্টি হোৱা অনেক

গীতৰ মাজৰ পৰা কেইটিমান গীতত মানৱতাবাদ কেনেদৰে প্ৰতিফলিত হৈছে, সেইয়া এই গৱেষণা পত্ৰখনিৰ যোগেদি যথাসম্ভৱ বিশ্লেষণেৰে ডাঙি ধৰাৰ প্ৰয়াস কৰা হব।

**বীজ শব্দ ঃ** মানৱতাবাদ, সুধাকণ্ঠ, গীত, নৈতিক প্ৰমূল্যবোধ, দায়িত্ব আৰু কৰ্তব্যবোধ

**অৱতৰণিকাঃ**

মানৱতাবাদ হৈছে এক দাৰ্শনিক চেতনা আৰু নৈতিক আচৰণ, যিয়ে মানুহৰ মূল্য আৰু সক্ৰিয় সহযোগিতাৰ ওপৰত ব্যক্তিগত আৰু সামূহিকভাৱে গুৰুত্ব প্ৰদান কৰে। ই সংকীৰ্ণ বিচাৰ ধাৰাৰ পৰিৱৰ্তে পৰিধি বিহীন, বহল আৰু উন্নত মানৱ চিন্তা-চৰ্চাৰে সৰ্বমানৱৰ কল্যাণ কামনা কৰে। সাধাৰণ অন্ধবিশ্বাস আৰু অহেতুক বিষয় পৰিহাৰ কৰি সমালোচনাত্মক চিন্তা, যুক্তিবাদ, প্ৰমাণ আৰু অভিজ্ঞতাক সমৰ্থন কৰে। আভিধানিক অৰ্থ হিচাপে 'মানৱতাবাদ' শব্দই ঈশ্বৰৰ তুলনাত মানৱ সম্পৰ্কে উচ্চধাৰণা কৰা সাহিত্যৰ মতবাদ বিশেষ (humanism); প্ৰয়োগবাদ (দৰ্শন) আদি বুজায় (বৰুৱা,২০০৭), য'ত মানৱীয় স্বাৰ্থ, মূল্যবোধ আৰু মৰ্যাদাৰ গুৰুত্ব প্ৰমুখ হৈ পৰে। সুধাকণ্ঠ ভূপেন হাজৰিকাৰো মন-মগজুৰ কোনোবা কোণত হয়তু এই মানৱতাবাদৰ বীজ সুপ্ত হৈ আছিল আৰু তেওঁ সেইবোৰ, শব্দৰ মাজেৰে সুন্দৰভাৱে সজাই -পৰাই নিজ কণ্ঠেৰে প্ৰকাশ কৰিছিল।

সমাজত যুগে যুগে দেখা দিয়া শ্ৰেণীবৈষম্য তথা কিছুমান সুবিধাবাদী লোকৰ প্ৰৰোচনাই সমাজ উত্তৰণ আৰু মানৱীয় চিন্তাধাৰাত প্ৰাচীৰ স্বৰূপ হৈ থিয় দি থকা কথা হাজৰিকাদেৱে পলে পলে অনুভৱ কৰিছিল। ভাৰতবৰ্ষৰ উত্তৰ-পূৱ প্ৰান্তত অৱস্থিত বাৰেবৰণীয়া জাতি-জনগোষ্ঠীৰে সমৃদ্ধ এই ৰূপহী অসমভূমিৰ জনগণ যাতে দম্ভ-অহংকাৰত মত্ত নহৈ একতাৰ জৰীৰে সংলগ্ন হৈ থাকে তাৰ বাবে তেওঁ আশা ব্যক্ত কৰিছিল গীতৰ মাধ্যমেৰে। উদাত্ত কণ্ঠেৰে মানৱতাৰ গান গাই আই বসুমতীৰ সন্তানসকলক স্বকীয় চিন্তাধাৰা উন্নত কৰাৰ হকে, কৰ্মোদ্যমী হৈ নিজৰ ভৰিৰ তলৰ মাটি ৰক্ষা কৰাৰ লক্ষ্যৰে বিভিন্ন গানেৰে আহ্বান জনাইছিল এনেদৰে--

> "মানুহে মানুহৰ বাবে
> যদিহে অকনো নাভাৱে
> অকনি সহানুভূতিৰে ভাৱিব কোনেনো কোৱা,
> সমনীয়া ...।"

আকৌ গাইছিল -- "আমি অসমীয়া নহওঁ দুখীয়া
বুলি সান্ত্বনা লভিলে নহ'ব ...।" আদি

অনেক ধৰণৰ জনসচেতনমূলক গীত ৰচনা কৰি জনসাধাৰণক উদ্বুদ্ধ কৰিছিল।

**উদ্দেশ্য আৰু গুৰুত্বঃ**

- মানৱতাবাদৰ ধাৰণা আৰু প্ৰকাৰ সন্দৰ্ভত আলোচনা কৰা।
- গীতসমূহৰ মাজেৰে ভিন্ন মানৱতাবাদ সন্দৰ্ভত আলোচনা কৰা।
- ভূপেন হাজৰিকাৰ গীতত ভাতৃত্ববোধ, নৈতিকতা, উদাৰতা, কৰ্তব্যবোধ আদি জ্ঞানৰ বিষয়ে আলোচনা কৰা।
- ভিন্নজনৰ দৃষ্টিৰে ভূপেন হাজৰিকাৰ ব্যক্তিত্ব অধ্যয়ন কৰা।

- মানৱীয় গুণ, নৈতিক প্ৰমুল্যবোধ, সামাজিক ন্যায়, কৰ্মবাদ আৰু মানৱকল্যাণ, অলৌকিকতাবাদ পৰিহাৰ, ধৰ্মনিৰপেক্ষতা আদি সকলো গুণ বা লক্ষণ এই মানৱতাবাদৰ লগত সংপৃক্ত হৈ থাকে যাৰ বাবে ইয়াক অধ্যয়ন কৰাৰ যথেষ্ট গুৰুত্ব আছে।

**অধ্যয়নৰ পদ্ধতিঃ**

আলোচ্য বিষয়সমূহ অধ্যয়নৰ ক্ষেত্ৰত বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে।

**মুখ্য বিষয়ৰ আলোচনাঃ**

সুধাকণ্ঠ ভূপেন হাজৰিকাৰ গীতসমূহত মানৱতাবাদী দৰ্শন অতি সুন্দৰভাৱে ব্যক্ত হোৱা দেখা যায়। স্বকীয় স্বাৰ্থ তুচ্ছ কৰি আজীৱন স্বদেশ আৰু স্বজাতিৰ হকে যুঁজ-বাগৰ কৰি আত্মতৃপ্ত লভা ব্যক্তিসকলৰ ভিতৰত ভূপেন হাজৰিকাও অন্যতম । তেওঁৰ কণ্ঠেৰে ধ্বনিত হোৱা প্ৰতিটো শব্দই এক গুঢ় অৰ্থ প্ৰকাশ কৰে। সেয়েহে, মানৱতাবাদ বুলিলে প্ৰকৃততে কেনে ধাৰণা কৰিব পাৰি সেই বিষয়ে প্ৰথমে আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

**মানৱতাবাদৰ ধাৰণা আৰু প্ৰকাৰঃ**

মানৱতাবাদ শব্দটোৰ উৎপত্তি লেটিন শব্দ 'হিউমেনিটাচ'ৰ পৰা হৈছে। ইয়াৰ অৰ্থ হৈছে, অন্তৰ্নিহিত ব্যক্তিবাদ আৰু মানৱীয় আত্মাৰ নিখুঁত সন্ধানৰ ইংগিত দিওঁতা, য'ত মানুহৰ অন্তৰ্নিহিত সম্ভাৱনাৰ দ্বাৰা এক বিষয়মুখী চিন্তা আৰু আশাব্যঞ্জক ভাৱনাৰ উদয় হয় (Varma,1979)। মানৱতাবাদে বিশ্ব বন্ধুত্ব স্থাপনৰ বাবে আগবাঢ়ে। সমগ্ৰ বিশ্বখনেই যেন আপোন, 'বসুধৈৱ কুটুম্বকম্' (ৰাধাকৃষ্ণণ, ১৯৯২) এই নীতিৰে সংপৃক্ত হৈ থাকে মানৱতাবাদ। (https//humanists.international) মতে, মানৱতাবাদীসকলে বিশ্বৰ বিষয়ে যুক্তি আৰু বিজ্ঞানৰ ওপৰত স্বকীয় বুজাবুজিৰ ভেটি স্থাপন কৰে। তেওঁলোকে অতিপ্ৰাকৃতিক ঐশ্বৰিক বিশ্বাসক প্ৰত্যাখ্যান কৰে। তেওঁলোকৰ মতে, নৈতিকতা বা প্ৰমুল্যবোধ, ঈশ্বৰ প্ৰদত্তৰ পৰিবৰ্তে মানৱ অভিজ্ঞতা আৰু যুক্তি তথ্যৰ পৰাহে উদ্ভৱ হয়। যিজন প্ৰকৃত মানৱীয় গুণযুক্ত ব্যক্তি, তেওঁৰহে, ব্যক্তিজীৱন, পৰিবেশ আৰু জগতখনক অধ্যয়ন কৰি সুস্থ আৰু নিকাভাৱে গঢ় দিয়াৰ ক্ষমতা থাকে।

মানৱতাবাদী সকলে সকলো ধৰণৰ বৰ্ণবাদ আৰু পক্ষপাতিত্বক স্থান নিদিয়ে, ধৰ্ম আৰু বিশ্বাসৰ স্বাধীনতাৰ অধিকাৰকে ধৰি সকলোৰে মানৱ অধিকাৰক সন্মান আৰু ৰক্ষা কৰাৰ বাবে গুৰুত্ব দিয়ে। তেওঁলোকে, ইজনে সিজনৰ প্ৰতি, প্ৰাকৃতিক জগতখনৰ প্ৰতি বিশ্বাস, সন্মান আৰু যত্ন লোৱাৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰে। মানৱতাৰ জয়গান গোৱা ব্যক্তিসকলে বাস্তৱতাক বিশ্বাস কৰে।

মানৱতাবাদৰ প্ৰকাৰ বুলি ক'বলৈ যাওঁতে দেখা যায় যে, ব্যক্তিভেদে মানৱীয় দৃষ্টিভংগীৰ পাৰ্থক্য আছে। প্ৰত্যেক ব্যক্তিৰ বিভিন্ন শিতানত বা বিষয়ৰ ওপৰত বিশেষ দৃষ্টি নিহিত হৈ থাকে আৰু মানৱীয় গুণসমূহৰ জৰিয়তে তাৰ বিচাৰ কৰে। ফলস্বৰূপে, বিভিন্ন প্ৰকাৰৰ মানৱতাবাদ দেখা পোৱা যায়, সেইয়া যেনে- ধৰ্মনিৰপেক্ষ মানৱতাবাদ, ধৰ্মীয় মানৱতাবাদ, বিভিন্ন ধৰণৰ শিক্ষা - নৈতিকতা, আধ্যাত্মিক জ্ঞান, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা, কলা আৰু সাহিত্য আদিৰ জৰিয়তে প্ৰকাশিত কল্যাণমূলক কৰ্মৰাজিও মানৱতাৰেই অংশ স্বৰূপ ।

মুঠৰ ওপৰত মানৱতাবাদ হৈছে এক বৈচিত্ৰ্যময় আৰু বিৱৰ্তনশীল দৰ্শন যিয়ে আধুনিক চিন্তা আৰু সংস্কৃতি গঢ় দিয়াত উল্লেখযোগ্য ভূমিকা পালন কৰিছে। মানৱতাবাদে, যুক্তি, মমতা আৰু মানৱ কল্যাণৰ প্ৰতি দায়বদ্ধ হৈ বিশ্বক বুজিবলৈ, জানিবলৈ আৰু নৈতিক জীৱন-যাপনৰ বাবে এক প্ৰেমময় ভেটি নিৰ্ণয় কৰে।

**ভূপেন হাজৰিকাৰ গীতৰ বিষয়বস্তু আৰু মানৱতাবাদঃ**

সুধাকণ্ঠৰ গীতসমূহক বিষয়বস্তু ভিত্তিত বিভিন্ন শ্ৰেণীত অন্তৰ্ভূক্ত কৰিব পাৰি যাৰ দ্বাৰা তেওঁৰ সাৰ্বজনীন মানৱতাবাদী দৰ্শন ফুটি উঠে। সেইয়া ক্ৰমে -- সামাজিক সংস্কাৰমূলক, দেশপ্ৰেমমূলক, প্ৰকৃতি আৰু সৌন্দৰ্য্যমূলক, মানৱতাবাদ আৰু সাৰ্বজনীনতাবাদ আদি ।

সামাজিক সংস্কাৰমুখী চিন্তাধাৰা হৈছে মানৱীয় গুণসমূহৰ ভিতৰত এক উৎকৃষ্ট গুণ। সমাজ একোখন সংস্কাৰ কৰিবলৈ যাওঁতে ব্যক্তি এজনে বিভিন্ন কাৰ্যপন্থা অৱলম্বন কৰিব লগা হয়। কোনো এক বিশেষ বিষয় হৈ পৰে সমাজ একত্ৰীকৰণৰ প্ৰধান মাধ্যম। ঠিক তেনেদৰে হাজৰিকাদেৱেও গানক এক শক্তিশালী মাধ্যম হিচাপে বাচি লৈছিল, য'ত প্ৰকাশ কৰিব পাৰে আৱেগ-অনুভূতি, হৰ্ষ-বেদনা, দয়া-মৰম, আক্ষেপ-অভিযোগ, প্ৰাপ্তি-অপ্ৰাপ্তি আৰু অনেক অনুভৱ। তেওঁ জানিছিল যে, গান হৈছে এনে এক সন্মোহনী বাণ যাৰদ্বাৰা মানুহৰ কাষ চাপিবলৈ আৰু মানুহক ওচৰ চপাই আনিবলৈ তৈয়াৰ কৰিব পাৰে এক উপযুক্ত আৰু সৰল মাৰ্গ। হাজৰিকাৰ গীতসমূহে প্ৰায়ে জাতিগত বৈষম্য, অস্পৃশ্যতা, দৰিদ্ৰতা আৰু শোষণৰ দৰে সামাজিক কলুষতা দূৰ কৰাৰ প্ৰযত্ন কৰিছিল। গানৰ মাধ্যমেৰে তেওঁ সমতা, ন্যায় আৰু একত্ৰীকৰণৰ মহামন্ত্ৰ পাঠ কৰিছিল। জাতি-বৰ্ণ-ধৰ্ম-নিৰ্বিশেষে তেওঁ সকলোৰে প্ৰতি গীত ৰচনা কৰি এক ধৰ্মনিৰপেক্ষ মানৱতাবাদৰ ভেটি নিৰ্মাণ কৰিছিল। তেওঁৰ গীতৰ লক্ষ্য আৰু উদ্দেশ্য আছিল অতি মহান আৰু উচ্চমানৰ। তেওঁ এখন সবল সমাজ গঢ়াৰ কামনা কৰিছিল। ৰুগ্ন, ভগ্ন সমাজ তেওঁৰ কাম্য নাছিল (কলিতা, জালান আৰু পৰাশৰ, ২০০৭)। তেওঁৰ কণ্ঠই আজুৰি আনিছিল সেই বিশেষণ 'সুধাকণ্ঠ' শব্দ, যাৰ কণ্ঠেৰে নিগৰিত হৈছিল প্ৰেমময় সুধা, যি আছিল সাধাৰণ জনতাৰ বাবে শক্তি-সাহস-আশা আৰু প্ৰাচুৰ্য্যৰ মহান উৎস। এনে এক বিশ্ব মানৱৰ অসাধাৰণ ব্যক্তিত্বই অহৰহ ভাৱে জনগণৰ হকে গীত সৃষ্টি কৰিছিল, যি হাজাৰ হাজাৰ শ্ৰোতাৰ মন মগজুক স্পৰ্শ কৰিবলৈ সক্ষম হৈছিল।

ভূপেন হাজৰিকাৰ গীতত শ্ৰীমদ্ভগৱদ্গীতাৰ যি মানৱকেন্দ্ৰিক দৰ্শন তাৰ প্ৰভাৱ সুস্পষ্ট ৰূপে দেখা যায়। গীতাৰ বিভিন্ন অধ্যায় (যোগ) ত যেনেদৰে মনুষ্যৰ প্ৰকৃত জ্ঞান, আদৰ্শ, আধ্যাত্মিক-তথা নৈতিক জ্ঞান, কৰ্তব্য-অকৰ্তব্য আদিৰ বাস্তৱিক জ্ঞানৰ জৰিয়তে বিশ্বজনীন মানৱতাবাদৰ বাণী প্ৰদান কৰিছে , ঠিক এই সকলো ধৰণৰ জ্ঞান হাজৰিকাৰ গানত প্ৰতিফলিত হোৱা দেখা যায়। গীতাত ভগৱান শ্ৰীকৃষ্ণই যেনেদৰে অৰ্জুনৰ সন্মুখত প্ৰকৃত যুদ্ধা (সৈনিক) ৰ কৰ্তব্যৰ কথা ডাঙি ধৰি দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি উদ্বুদ্ধ কৰিছিল, তেনেদৰে সুধাকণ্ঠই ও গীতৰ মাজেৰে জনতাৰ অন্তৰত সুপ্ত হৈ থকা প্ৰকৃত যুদ্ধাৰ সত্তাক জাগ্ৰত কৰিছিল। তেওঁ আশা কৰিছিল আৰু বিশ্বাস ৰাখিছিল যে, যি শৈলীৰে গীতসমূহ ৰচনা কৰা হৈছে সেইয়া যেন সৈনিকৰ বাবে এক শক্তি মন্ত্ৰ হয় আৰু এখন সুস্থ  নিকা সমাজ গঢ়াত সহায়ক হয়। তেওঁ লিখিছিল--

"...মোৰ কলাশৈলীতে মূৰ্ত হওঁক
এক মধুৰ বৈশিষ্ট্যৰ মান।
এই গানত জাগক জনৈক সংগ্ৰামী
সৈনিকৰ মহাপ্ৰাণ...
বহু আস্থাহীনতাৰ বিপৰীতে
এক গভীৰ আস্থাৰ গান।"

তেওঁৰ গানৰ লক্ষ্য ভেদা-ভেদ সৃষ্টিৰ বাবে নহয়। তেওঁ সমসাময়িক সংঘাটক মষিমূৰ কৰিবলৈ সকলোকে এক কণ্ঠত

সমবেত হোৱাৰ আশাহে ব্যক্ত কৰিছিল। শান্তিকামী লক্ষ্যৰে তেওঁ গীত ৰচনা কৰিছিল। তিনিওকালৰ বাবে এই দেশ, এই জাতি যেন উজ্বলি থাকে, বাধা-নিষেধ শেষ কৰি আগুৱাই যায়, সেইয়াই তেওঁৰ মানৱৰ প্ৰতি সবল আহ্বান। তেওঁ জনগণক হিংসা-হত্যা-আসুৰিক আদি অমানৱীয় প্ৰবৃত্তি সমূহ নিৰ্মূল কৰিবৰ বাবে ওলাই আহিবলৈ মুক্ত কণ্ঠেৰে আহ্বান জনাইছে। দেশৰ ধৰণীস্বৰূপ সন্তানসকলে যদি ভোকত আৰ্তনাদ কৰে তেন্তে ইতিহাসে কৈ যোৱা এইখন দেশ ৰামৰ ৰাজ্য হৈ নাথকিব। সেয়েহে তেওঁ জনতাৰ সংগ্ৰামী মনটোক জাগ্ৰত কৰিবলৈ চেষ্টা কৰি কৈছিল, "... সংগ্ৰাম নাম হেনো এটি জীৱনৰে...।" সত্য-সুন্দৰ আৰু শান্তি স্থাপনৰ বাবে জীৱন উৎসৰ্গা কৰিবলৈ কুণ্ঠাবোধ নকৰা জনেই সঁচা মানৱতাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিব পাৰে।

এই সংসাৰত মানুহ হৈ জন্মগ্ৰহণ কৰিলেই মানুহ বুলি সংজ্ঞায়িত কৰিব নোৱাৰি। মানুহ আৰু অমানুহৰ স্বৰূপ নিৰ্ধাৰণ কৰে ব্যক্তিৰ গুণ আৰু কৰ্মৰ দ্বাৰা। এই কথা হাজৰিকাই যেন অন্তৰেৰে অনুধাৱন কৰিছিল, সেয়েহে তেওঁ সকলোকে ঋণাত্মক চিন্তা পৰিহাৰ কৰি কৰ্মোদ্যমী হ'বলৈ আহ্বান জনাইছিল। মানৱ জীৱনত কৰ্মৰ গুৰুত্ব , অধিকাৰ, আৰু কৰ্মই যে মানৱৰ মহান ধৰ্ম, গীতাৰ এই মহৎ বাণী হাজৰিকাই অনুসৰণ কৰিছিল। গান্ধীজীয়েও শ্ৰীমদ্ভগৱদগীতাৰ দৰ্শন অনুধাৱন কৰি কৈছিল 'অহিংসাই পৰম ধৰ্ম, কৰ্মই হৈছে সকলো ধৰ্মৰ সাৰ স্বৰূপ'।

"কৰ্মণ্যেবাধিকাৰস্তে..." (শৰ্মা, ১৯৯৫, পৃ.১৩০)।

গীতাত, শ্ৰীকৃষ্ণই কৈছিল, যিজন শ্ৰেষ্ঠ, সিজনে সজ কৰ্ম কৰি সমাজত আদৰ্শ প্ৰতিষ্ঠা কৰে, সেই আদৰ্শক পৰৱৰ্তী সময়ৰ লোক সকলে অনুসৰণ কৰিবলৈ ধৰে। সেয়েহে, মনুষ্যৰূপে এনে কৰ্ম কৰিব লাগে, যি যুগ-যুগলৈ প্ৰৱাহিত হৈ থাকে।

"যদ্ যদাচৰতি শ্ৰেষ্ঠস্তত্তদেৱেতৰোজনঃ।
স যদ্ প্ৰমানং কুৰুতে লোকস্তদনুৱতৰ্তে।।"

(শৰ্মা, ১৯৯৫, পৃ.১৭৮)

এই শ্ৰেষ্ঠ বাণীসমূহ সাৰোগত কৰি সেয়েহে হাজৰিকাই লিখিছিল-- "কৰ্মই আমাৰ ধৰ্ম" এই মহান গীতটি। স্বাৰ্থপৰতাক ধ্বংস কৰিবলৈ সাহসেৰে আগবাঢ়ি যাবৰ বাবে জনগণৰ প্ৰতি আকুটি কৰিছে।

সৰ্বমানৱৰ হিত কামনা কৰা ব্যক্তি সকল যেন এক পৰিভ্ৰমী পক্ষী । যি এঠাইৰ পৰা অন্যঠাইলৈ নতুনত্ব আৰু ৰঙৰ সুবাস বিচাৰি উৰি ফুৰে। নিজকে যাযাবৰী আখ্যা দি হাজৰিকাই সমগ্ৰ দেশ-বিদেশৰ ছবি হৃদয়ত সঞ্চিত কৰিছিল। ক'ৰবাত যদি সুখৰ ছবিয়ে মন আনন্দিত কৰিছে, আন ক'ৰবাত দুখৰ ছবিয়ে মন দহিছে। কেতিয়াবা পৰেই আপোন হৈ ধৰা দিছে আকৌ কেতিয়াবা আপোন জনো যেন অচিনাকী হৈ পৰিছে। এই ভেদা-ভেদ, উচ্চ-নীচ, ধনী-দুখীয়া, সমাজৰ যি বৈপৰীত্য ছবি সেইয়া তেওঁ মৰ্মে মৰ্মে উপলব্ধি কৰি লিখিছিল--

"মই এটি যাযাবৰ ...
ৰঙৰ খনি য'তেই দেখিছোঁ
ভগাই দিয়াৰ মন।
... মই দেখিছোঁ অনেক
গগনচুম্বী অট্টালিকাৰ শাৰী
তাৰ ছাঁতেই দেখিছোঁ কতনা
গৃহহীন নৰ নাৰী।

... বহু দেশে দেশে গৃহদাহ দেখি
চিন্তিত হওঁ বৰ
মনৰ মানুহ বহুতেই দেখোঁ
ঘৰতে হৈছে পৰ।।"

সেয়েহে, হয়তু তেওঁৰ কণ্ঠই পুনৰ সাৰ পাই উঠিছিল এনেদৰে--

"মানুহে মানুহৰ বাবে
যদিহে অকনো নেভাৱে
অকণি সহানুভূতিৰে
ভাবিব কোনেনো কোৱা, সমনীয়া

গীতটিৰ যোগেদি, মানৱীয় গুণ সমূহক উপস্থাপন কৰিছে। প্ৰমুল্যবোধ, কৰ্তব্যপৰায়ণতা, অনুভূতিশীলতা, মানুহ আৰু অমানুহ (মানৱ-দানৱ) ৰ ভেদ, উদাৰতা আদি সকলো যে মানৱীয় গুণ তাক আহৰণ কৰাৰ বাবে যত্নপৰ হোৱা উচিত তাকে ব্যক্ত কৰিছে।

তেওঁ আকৌ গাইছে -

... দুৰ্বল মানুহে যদি, জীৱনৰ কোবাল নদী
পাৰ হয় তোমাৰে সাহত, তুমি হেৰুৱাবানো কি
মানুহ যদিহে নহয় মানুহ
দানৱ কাহানিও নহয় মানুহ
যদি দানৱ কাহানিবা হয় মানুহ
লাজ পাব কোনেনো কোৱা...।"

তেওঁৰ গীতৰ মাজেৰে সঁচা মানৱ ধৰ্মক প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কৰিছে। দুৰ্বলীক, আৰ্তজনক, নিঃ কিনজনক সহায় কৰাটো হৈছে এক মানৱীয়তাৰ লক্ষণ। সাধাৰণতে, দুৰ্বল বুলি ক'লে শাৰীৰিক, মানসিক দুৰ্বলতাকে বুজোৱা হয়। কিন্তু, সুধাকণ্ঠই যেন সমাজত সঘনে দেখা পোৱা দুৰ্বলীৰ ওপৰত সবলীৰ অত্যাচাৰ-শোযন, উৎপীড়ন, বৰ্ণ বৈষম্যতা আদিহে প্ৰকাশ কৰিব বিচাৰিছে, যিবোৰ মানৱীয় গুণৰ তালিকাত সন্নিবিষ্ট নহয়। সৃষ্টিশীলতা হৈছে হাজৰিকাৰ মানৱতাবাদী দৰ্শন। তেওঁৰ গানেৰে প্ৰত্যেক জনতাৰ অন্তৰত সুপ্ত হৈ থকা মানৱতাবোধক জাগ্ৰত কৰাৰ চেষ্টা কৰিছিল। শোষক আৰু শোযিতৰ প্ৰতি হৃদয়ত প্ৰচণ্ড হতাশা আৰু ক্ষোভ জাগ্ৰত হৈ কণ্ঠেৰে নিগৰাইছিল--

"ভাঙ
শিল ভাঙ
ভাঙ ভাঙ ভাঙ শিল ভাঙোতা
তোৰ ঘাম ভৰা নঙঠা পিঠি
তপত ৰ'দত যায় ফাটি।"

আকৌ গাইছে--

... হৰিজন, পাহাৰী, হিন্দু-মুছলিমৰ
বড়ো, কোঁচ , চুতীয়া, কছাৰী, আহোমৰ
অন্তৰ ভেদি মৌ বোৱাম
ভেদাভেদৰ প্ৰাচীৰ ভাঙি
সাম্যৰ সৰগ ৰচিম।"

এনেদৰে তেওঁ সমন্বয় সৃষ্টি কৰিব পৰাকৈ গীত ৰচিছিল। (কুমাৰ , ২০০৯)

এলেহুৱা, শ্ৰম বিমুখতা, আত্মগৰ্বি লোকক তেওঁ কঠোৰ শব্দৰ দ্বাৰা ধনাত্মক অৰ্থেৰে আঘাট কৰিছে। জাতি-প্ৰেম যেন তেওঁৰ দেহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে প্ৰৱাহিত এক বোৱতি সুঁতি। অসমীয়া জনগণ বুলি তেওঁ বিভিন্ন জাতি-জনগোষ্ঠী, বিভিন্ন কৃষ্টি-সংস্কৃতিৰে সমৃদ্ধ এখন শইচ-সোণোৱালী পথাৰ ৰূপেৰে কল্পনা কৰিছে, যাৰ ৰক্ষণা-বেক্ষণৰ দায়িত্ব আমাৰ প্ৰতিজন অসমীয়াৰ বাবে অতি মহত্বপূৰ্ণ। জাতিক ভাল পাবলৈ হ'লে, দেশক ভাল পাবলৈ হ'লে, দেশ বা জাতিৰ সুৰক্ষা আৰু উন্নতিৰ হকে আহোপুৰুষাৰ্থ কৰ্ম-চেতনা জাগ্ৰত কৰিব লাগিব। নহ'লে তাৰ বিপৰীত পৰিণাম অতি ভয়ংকৰ হ'ব পাৰে বুলি তেওঁ অসমীয়া জাতীয় জীৱনক উদ্বুদ্ধ কৰা এই গীত ৰচনা কৰিছিল --

"আমি অসমীয়া নহওঁ দুখীয়া
বুলি সান্ত্বনা লভিলে নহ'ব,
আজিৰ অসমীয়াই নিজক নিচিনিলে
অসম ৰসাতলে যাব...।
নানা জাতি-উপজাতি
ৰহনীয়া কৃষ্টি,
আকোৱালি লৈ হৈছিল সৃষ্টি
এই মোৰ অসম দেশ,
বিভেদ পৰিহৰি
নিজ হাতে শ্ৰম কৰি
দেশক নগঢ়িলে
এই দেশ হ'ব নিঃশেষ, ...

একতা থাকিলেহে বল থাকে এই আপ্ত বাক্যশাৰীৰ অৰ্থ/মূল্য তেওঁ অনুভৱ কৰিছিল। সেয়েহে, পূৰ্বৰ কবি-সাহিত্যিক, সন্ত-মহন্ত, ৰনুৱা-বনুৱা আদি সকলো অসমীয়াই গঢ়ি থৈ যোৱা অসমভূমিখনক ৰক্ষা কৰিবলৈ পৰৱৰ্তী প্ৰজন্মৰ লোকসকলৰ প্ৰতি সহৃদয়তাৰে আহ্বান জনাইছিল।

"নানা ৰহনীয়া বাৰে বৰণীয়া
কৃষ্টিৰ নাই শেষ
এই মোৰ অসম দেশ।

এই মোৰ অসম দেশ।
নানা সুৰৰে নানা গীতৰে
মধুৰ সমাবেশ
এই মোৰ অসম দেশ ।...
সত্ৰীয়া অংকীয়া ভাওনা নামঘোষা ...

আদি মহাপুৰুষীয়া সৃষ্টিসমূহ, মানৱজীৱন আধাৰিত গীতসমূহ, টোকাৰী গীতসমূহ, অঞ্চল বিশেষৰ গীত-নাম আদিৰে ভৰপূৰ কৃষ্টি-সংস্কৃতিৰ ভঁৰাল যেন ৰক্ষা কৰাৰ দায়িত্ব সকলোৰে আছে, তেনে এক মানৱীয় নৈতিক কৰ্তব্য আৰু দায়িত্ববোধৰ জ্ঞান গীতৰ মাজেৰে প্ৰতিফলিত কৰিছে।

'সময়ানুৰৰ্ত্তিতা', তেওঁৰ গানৰ অন্য এক বিশেষত্ব। সময়ৰ জ্ঞান প্ৰত্যেক মনুষ্যৰ এক প্ৰয়োজনীয় গুণ। সেয়েহে তেওঁ মানুহক সজাগতা, সচেতনতা আৰু সময়ৰ মূল্য বুজিবৰ বাবে গীতেৰে প্ৰকাশ কৰিছিল--

"... এটি এটি ক্ষণ যেন মুকুতাৰে ধন
এনেয়ে হেৰুৱালে নাহে উভতি।
এটি এটি ক্ষণ যেন এটি এটি পণ
এনেয়ে হেৰুৱালে নাহে উভতি।"

সুধাকণ্ঠ হাজৰিকা যেন জন্ম লগ্নৰে পৰাই ভিন্ন জীৱন দৰ্শনৰ সৈতে পৰিচিত। আপোন মাটিৰ গোন্ধে তেওঁক আজীৱন আকুল কৰি ৰাখিছিল। সেয়েহে, হয়তু তেওঁৰ কণ্ঠৰ সুধাই আপোন মাটিৰ উপৰি বিদেশৰ মাটিতো জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। এই সন্দৰ্ভত তেওঁৰ নিজা ভাষ্য এনেধৰণৰ -"মোৰ গীতত, মোৰ সুৰত, মোৰ কণ্ঠত অসমৰ মাটিৰ সুবাস আছে। অসমৰ মাটিৰ সুৰৰ ভেটিতেই সজাওঁ মোৰ কণ্ঠত বিশ্ববিজয়ী গীতৰ পজাঁ" (কলিতা,জালান আৰু পৰাশৰ, ২০০৯, পৃ.১৬)।

**ভিন্নজনৰ দৃষ্টিত ভূপেন হাজৰিকাৰ মানৱতাবাদঃ**

হাজৰিকাৰ গীতৰ মাজেৰে তেওঁৰ চিন্তা-ভাৱনাৰ মান নিৰূপণৰ লগতে মানৱীয় প্ৰেমৰ বতৰাও প্ৰকাশ হয়, তাৰ উমান তেওঁৰ গুণমুগ্ধসকলৰ স্বকীয় অনুভৱেৰে সিক্ত অভিব্যক্তিবোৰে প্ৰকাশ কৰে। সকলোৰে মাজত ঐক্য-সম্প্ৰীতিৰ সাকোঁ তৈয়াৰ কৰাৰ মানসেৰে কেৱল গীতকেই শক্তিশালী মন্ত্ৰ ৰূপে মানি লৈছিল।

অসমীয়াত এষাৰ উক্তি আছে "যি মূলা বাঢ়ে তাৰ দুপাততে চিন" ঠিক এইষাৰ কথাৰ যেন আক্ষৰিক প্ৰতিফলন ঘটিছিল এই মানৱতাবাদী, বহুমুখী প্ৰতিভাসম্পন্ন শিল্পীগৰাকীৰ কাৰ্য্য-কৌশলত। গুণীয়েহে গুণীৰ মান বুজি পায় আৰু চিনি পায় বোলা কথাষাৰৰ যুক্তি, প্ৰমাণ মাত্ৰ পাঁচবছৰ বয়সত (ভূপেন হাজৰিকাৰ) তেওঁৰ কণ্ঠই আশীষ ল'বলৈ সক্ষম হৈছিল সেই বিশেষ ব্যক্তি গৰাকীৰ পৰা এনেদৰে--

"ছাত্ৰ সকলৰ সভাত এটি অতি কমবয়সীয়া ল'ৰাই (শিশু বুলিলেই হয়) হাৰ্মনিয়ামৰ সহায়ত সুন্দৰকৈ এটি গান গাইছিল। মই মুগ্ধ হৈ আসনৰ পৰা উঠি সভাতে উঠি ল'ৰাটিৰ গালত এটি চুমা খালোঁগৈ। তাহানি কলিকতাত 'মাষ্টাৰ মদন' বোলা তেনেকুৱা গান গোৱা ল'ৰা এটিৰ গান শুনিছিলোঁ । আজি অসমীয়া 'মাষ্টাৰ মদনক' দেখি বৰ সন্তোষ হ'লোঁ।" আজিৰ মাষ্টাৰ মদনেই হৈছে ভাৰতৰত্ন সুধাকণ্ঠ ভূপেন হাজৰিকা। এইদৰে কোৱা সেই বিশেষ ব্যক্তিজন আছিল ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা (কুমাৰ, ২০০৯, পৃ.২১)।

ভূপেন হাজৰিকাৰ গানৰ বিশেষত্বৰ প্ৰতি লক্ষ্য কৰি অসমৰ ভূতপূৰ্ব মুখ্যমন্ত্ৰী শৰৎচন্দ্ৰ সিংহই কৈছিল "মানুহৰ হৃদয়ৰ ওচৰ চাপিবলৈ ভূপেন হাজৰিকাৰ গীতেই আটাইতকৈ চুটি বাট" (কুমাৰ, ২০০৯, পৃ. ২৩)। ইয়াতেই হাজৰিকাৰ মানৱতাদৰ্শন প্ৰতিফলিত হয়। তেওঁৰ গীত আৰু শিল্পীসত্তা যে অনেকতকৈ পৃথক সেই সন্দৰ্ভত প্ৰবন্ধকাৰ দেৱ দাসে কৈছিল-- "তেওঁ যেনেকৈ মানুহৰ গীত গায়, সেইদৰে মানুহক আত্মীয় কৰি ল'বলৈও আগবাঢ়ি আহে মানুহৰ মাজলৈ", (কুমাৰ, ২০০৯, পৃ.৭৭)। প্ৰবন্ধকাৰ, নিৰোদ কুমাৰ ভাঁৰাৰৰ মতে "অসমৰ বিশ্ববিশ্ৰুত শিল্পী ভূপেন হাজৰিকাই চাহ-মজদুৰ সমাজক অসমীয়া বুলি পৰিচয় কৰাবৰ উদ্দেশ্যে আৰু সম্প্ৰীতিৰ বান্ধ কটকটীয়া কৰিবলৈ চাহ-মজদুৰসকলৰ হকে ভাষণ দিয়ে, গান ৰচিলে, লগতে নতুন প্ৰেৰণা পালে" (কুমাৰ, ২০০৯, পৃ.৭১)। প্ৰবন্ধকাৰ পুণ্য শইকীয়াই ভূপেন হাজৰিকাৰ গীতৰ মাজেৰে বৈচিত্ৰময় দৃষ্টিভংগী আৰু মানৱ দৰ্শনৰ পূৰ্ণ ছবি এনেদৰে অনুধাৱন কৰি লিখিছিল "হাজৰিকাদেৱৰ সুৰৰ জগতখন ব্যাপক আৰু বিচিত্ৰ। লুইত, গংগা, পদ্মা, ভল্গা, মিচিচিপি, সকলোৰে মোহনা হ'ল ভূপেন হাজৰিকাৰ হৃদয়। তেওঁৰ গানত আৰ্তজনৰ কৰুণ উচুপনি, দৰিদ্ৰ কৃষকৰ বুকুৰ বেদনা, অট'ৰিক্সা চালকৰ ৰোমাণ্টিক দিবাস্বপ্ন, শ্ৰম আৰু ঘামেৰে সিক্ত মানুহৰ সংগ্ৰামী চেতনা, সৰ্বহাৰাৰ ক্ৰুদ্ধ প্ৰত্যাহ্বান, নতুন পুৰুষৰ প্ৰতি সুগভীৰ আস্থা, জাতীয়তাবাদৰ সফল জিজ্ঞাসা, হীনমন্য অসমীয়া মানুহৰ প্ৰতি ইতিবাচক ভৎৰ্সনা আৰু সৰ্বোপৰি ব্যক্তিগত জীৱনৰ পোৱা নোপোৱাৰ বেদনাৰ এক সৰ্বাত্মক সংমিশ্ৰণ ঘটিছে" (কুমাৰ, ২০০৯, পৃ. ৬৯)।

ভূপেন হাজৰিকাৰ জীৱন আৰু দৰ্শন, এই গ্ৰন্থত উল্লেখ কৰা মতে, "ভূপেন হাজৰিকাৰ মানৱপ্ৰেম দেশ-কালৰ সীমাৰ গণ্ডীত আৱদ্ধ নহয়। দেশ-কালৰ সীমা অতিক্ৰমি তেওঁ মানৱতাবোধ বিশ্বজনীন হৈ উঠিছে, য'ত জাতি-বৰ্ণ-ধৰ্ম, দেশ-কাল একাকাৰ হৈ গৈছে। এখনেই মুকলি আকাশৰ তলত বাস কৰা বাসিন্দা হিচাপে, এখন পৃথিৱীৰেই অধিবাসী হিচাপে বিশ্বৰ সকলো মানুহেই মানুহৰ আপোন। সেই মানুহৰেই মহামিলন হাজৰিকাই কামনা কৰিছে। ইয়েই তেওঁৰ মানৱতাবাদী দৰ্শন" (নাথ, ২০০১, পৃ.১১)।

**সামৰণিঃ**

হাজৰিকাৰ গীতৰ মাজেৰে আভ্যন্তৰীণ ভাৱে এক মানৱতাৰ বীজ অংকুৰিত হৈছিল, যিয়ে সাৰ্বজনীন ভাতৃত্ববোধ, প্ৰেম, মমতা আৰু সৰ্বমানৱৰ অন্তৰ্নিহিত মৰ্য্যাদাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। দেশপ্ৰেম যেন তেওঁৰ আজন্ম অনুভৱ আৰু আত্মিক আৱেদন। তেওঁৰ দ্বাৰা সৃষ্ট বিভিন্ন গীত-মাতৰ মাজেৰে স্বদেশ আৰু স্বজাতিৰ প্ৰতি থকা নিঃস্বাৰ্থ প্ৰেম স্পষ্ট হৈ পৰিছিল। এই দেশৰ চহকী সংস্কৃতি, ঐতিহ্য আৰু প্ৰকৃতিৰ মোহনীয় ৰূপৰ বৰ্ণনা গানৰ মাধ্যমেৰে প্ৰকাশ কৰি সেই সমূহৰ ৰক্ষণা-বেক্ষণৰ গুৰুত্ব ব্যক্ত কৰিছিল। হাজৰিকাদেৱৰ চিন্তা-চেতনা, আৰু দৃষ্টিভংগীয়ে আঞ্চলিক সীমা অতিক্ৰম কৰি বিশ্বলৈ প্ৰসাৰিত হৈছিল আৰু সাৰ্বজনীনতাবাদৰ বাৰ্তা কঢ়িয়াই লৈ ফুৰিছিল, যিয়ে সকলো মানুহৰ মাজত শান্তি, ঐক্য আৰু সদ্ ভাৱনাৰ পোষকতা কৰিছিল। কিন্তু, আশ্বৰ্য্যকৰ কথা যে, এই মানৱদৰদী, মানৱ হিতৈষী, গণ শিল্পীগৰাকীৰ জীৱন পৰিক্ৰমা বৰ সৰল নাছিল। নানা বিপদ-আপদ, বাধা-বিঘিনিৰে পূৰ্ণ এক সংগ্ৰামী জীৱন অতিবাহিত কৰিও মানুহৰ কল্যাণৰ হকেই আজীৱন গীত ৰচি, সুৰ বিলাই গ'ল আৰু সঁচা মানৱতাৰ বীজ চিৰকাললৈ চতিয়াই গ'ল ।

**সহায়ক গ্ৰন্থপঞ্জীঃ**

বৰুৱা, ডি. এন., (২০০৭)। *হেমকোষ*। হেমকোষ প্ৰকাশন।

কলিতা, পি., জালান, জি., আৰু পৰাশৰ, এ., (২০০৭)। *বিশ্বনাগৰিক ভূপেন হাজৰিকা*। চন্দ্ৰপ্ৰকাশ।

কুমাৰ, টি এইচ. (২০০৯)। *গুণমুগ্ধৰ অনুভৱত ড° ভূপেন হাজৰিকা*। কুমাৰ গ্ৰন্থকোষ।

নাথ, পি., (২০০১)। *ভূপেন হাজৰিকাৰ জীৱন আৰু দৰ্শন*। মনালিছা প্ৰকাশ।

শৰ্মা, এম.এম., (২০০৯)। *শ্ৰীমদ্ভগৱদ্গীতা যথাযথ*। ভক্তিবেদান্ত বুক ট্ৰাষ্ট।

Radhakrishnan, S. (1992). *The Principal Upanisads*. Pennsylvania State University; Humanity Books.

Varma, v.p., (1979).*Philosophical Humanism and contemporary India*. Motilal Banarsidass. https//humanists.international/.